জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৮৯/২০২১

# মহানগৰীৰ আদাবাৰীত অটল উদ্যান উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## মহানগৰীৰ উদ্যানখনসমূহৰ সঠিক ব্যৱহাৰৰ বাবে চোকা দৃষ্টি ৰাখিবলৈ স্থানীয় জনসাধাৰণক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ২৪ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহানগৰীৰ আদাবাৰীত গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ দ্বাৰা নিৰ্মাণ কৰা অটল উদ্যানখন শুভ উদ্বোধন কৰে। এই উদ্যানখন ৮ বিঘা ভূমি সামৰি ৮ কোটি ৭৪ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে।

এই উদ্যানখন ২৫০ গৰাকী দৰ্শকে বহিব পৰা এম্পি থিয়েটাৰ, ধ্যানকক্ষ, কিয়'স্ক, মুক্ত ব্যায়ামাগাৰ, মিউৰেল আৰ্ট ৱ'ৰ্ক ডায়েছ, শিশুৰ খেল-ধেমালিৰ সা-সামগ্ৰী, দিব্যাংগসকলৰ বাবে খেলৰ বিশেষ আহিলা, ফোঁৰাৰা, জাপানিচ গাৰ্ডেন, প্ৰৱেশ পথৰ বিশেষ প্ৰতিমূৰ্তি, শিৱ আৰাধনাৰ এক বিশেষ আৰ্হি, তদুপৰি পাৰ্কিঙৰ বিশেষ সুবিধাৰে সমৃদ্ধ কৰা হৈছে। উদ্যানখন প্ৰাক্তন প্ৰধানমন্ত্ৰী, ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ীৰ স্মৃতিত উৎসৰ্গিত কৰা হৈছে।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই উদ্যানখন বৰ্তমানৰ ৰাজ্য চৰকাৰৰ সাত মাহৰ শাসন কালৰ ভিতৰত সম্পূৰ্ণ কৰা হৈছে আৰু হেঙেৰাবাৰীত এনে ধৰণৰ আন এখন উদ্যান নিৰ্মাণৰ কামো অতিশীঘ্ৰে সম্পূৰ্ণ হ'ব। তেওঁ লগতে কয় যে ২০২৩ চনৰ ভিতৰত ফাঁচী বজাৰৰ পুৰণি কাৰাগাৰ নিৰ্মাণৰত উদ্ভিদ উদ্যান মুকলি কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে গুৱাহাটীক পৰ্যাপ্ত সেউজ আবৰণ আৰু অৱসৰ বিনোদনৰ সা-সুবিধা থকা এখন আধুনিক চহৰ পৰিণত কৰাৰ বাবে মুকলি ঠাই বিকশিত কৰাৰ দিশত নিৰন্তৰ প্ৰয়াস চলাই আহিছে। এই প্ৰয়াসৰে অংশ হিচাপে মহানগৰীত ৫ খন ডাঙৰ উদ্যান নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে বুলিও তেওঁ কয়।

তেওঁ কয় যে সকলো চৰকাৰী কাৰ্যালয় স্থানান্তৰিতকৰণেৰে মহানগৰীৰ লখৰাত এটি সংহত সঞ্চালকালয়ৰ চৌহদ নিৰ্মাণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে আৰু এই কাৰ্যালয়সমূহৰ খালী ঠাইত উদ্যান নিৰ্মাণ কৰা হ'ব। স্বাস্থ্যকৰ জীৱন-যাপনৰ সুবিধা থকা এখন আধুনিক চহৰ হিচাপে গঢ়ি তোলাৰ উদ্দেশ্যৰে গুৱাহাটী মহানগৰীৰ চাৰিওটা সমষ্টিতে ইণ্ড'ৰ ষ্টেডিয়াম, চুইমিং প'ল, ক্ৰীড়া চৌহদ নিৰ্মাণৰ পৰিকল্পনা লোৱা হৈছে বুলি তেওঁ কয়।

মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে মহানগৰীৰ বাবে বৃহৎ আন্তঃগাঁথনি প্ৰকল্পসমূহ ৰূপায়ণৰ দিশত ৰাজ্য চৰকাৰে আগবাঢ়িছে। গুৱাহাটীত চলি থকা সকলো উৰণ সেতুৰ প্ৰকল্পসমূহ নিৰ্দ্ধাৰিত সময়ৰ আগতে

সম্পূৰ্ণ কৰা হ'ব বুলি তেওঁ কয়। তেওঁ কয় যে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখন ২০২৩ চনৰ ভিতৰত সম্পূৰ্ণ হ'ব। আনহাতে পলাশবাৰী-উত্তৰ গুৱাহাটী আৰু কুৰুৱা-নাৰেংগী সংযোগী দলঙৰ সৈতে সংযুক্তকৰণৰ অৰ্থে এটা ৰিং ৰোড প্ৰকল্পৰ পৰিকল্পনা কৰা হৈছে বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তৰ কাৰ্যালয় আৰু আৰক্ষী আয়ুক্তৰ কাৰ্যালয় স্থানান্তৰ কৰি নদীৰ সমীপৰ ঠাই মুকলি কৰাৰ জৰিয়তে সৌন্দৰ্যবৰ্দ্ধন কৰা হ'ব ।

মহানগৰীৰ স্বাস্থ্য আন্তঃগাঁথনি বৃদ্ধিৰ দিশত ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে পাণ্ডু আৰু ধীৰেনপাৰা এফআৰইউ শীঘ্ৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ দ্বাৰা পৰিচালিত কৰা হ'ব আৰু এই হাস্পতাল দুখনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসকৰ দ্বাৰা চিকিৎসা সেৱা প্ৰদান কৰা হ'ব।

তেওঁ স্থানীয় জনসাধাৰণ বিশেষকৈ মহিলাসকলক এই উদ্যানখনসমূহৰ ৰক্ষণাবেক্ষণ আৰু ইয়াৰ ওপৰত কঠোৰ নজৰ ৰাখিবলৈ আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল, সাংসদ কুইন ওজা, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাক্ষৰ / পুঃডেঃ**
**২৪-১২-২০২১**